# ইতিহাসে সোঁৱৰায় সম্প্ৰীতিৰ চিত্ৰ

**লক্ষণা দত্ত**

◆◆

***সামাজিক গোটসমূহৰ মাজত থকা এৰা-ধৰাৰ মনোভাৱ আৰু গঢ়ি উঠা সম্প্ৰীতিৰ বান্ধোনেই এনে প্ৰসাৰণত অলক্ষিতে ক্ৰিয়া কৰে। অসমীয়া সংস্কৃতিও এই নিয়মৰ বাহিৰ নহয়। ইতিহাসৰ বিভিন্ন স্তৰত অসম ভূখণ্ডলৈ অহা বিশ্বৰ নানা প্ৰান্তৰ জাতি-গোষ্ঠীৰে সৈতে অসমীয়াই ৰচনা কৰিছে সম্প্ৰীতিৰ বুৰঞ্জী। অসমলৈ আগমন ঘটা এনে এটি জাতি হ'ল—মুছলমানসকল।***

◆◆◆

ওচৰা-উচৰিকৈ বসবাস কৰা বিভিন্ন গোষ্ঠী বা সম্প্ৰদায়ৰ মাজত সাংস্কৃতিক আন্তঃ আদান-প্ৰদান ঘটি থকাটো এটা স্বাভাৱিক প্ৰক্ৰিয়া। ই প্ৰকৃতিৰ নিয়মস্বৰূপ। ইয়াৰ ফলতে এটা জাতি বা গোষ্ঠী বা সম্প্ৰদায়ৰ অন্তৰ্গত আচাৰ-ৰীতি, প্ৰচলিত ধ্যান-ধাৰণা, নৈতিক প্ৰমূল্য, ব্যৱহাৰ্য সামগ্ৰী, খাদ্যাভ্যাস, সাজ-পোছাক, শব্দভাণ্ডাৰ, কথনপ্ৰণালী ইত্যাদি সমুদায় দিশত নিজস্ব বৈশিষ্ট্য আৰু উপাদানবোৰৰ সৈতে অন্য এটা গোষ্ঠী বা সম্প্ৰদায়ৰপৰা গ্ৰহণ কৰা উপাদানবোৰৰ সংযোজন ঘটিবলৈ ধৰে। এটা সময়ত নতুনকৈ সংযোজিত উপাদানবোৰ গোষ্ঠী বা সম্প্ৰদায়টোত এনেদৰে জাহ যাবলৈ ধৰে যে সেইবোৰ সেই জাতি বা গোষ্ঠীটোৰ থলুৱা উপাদানস্বৰূপ হৈ পৰে। এয়া হ'ল সংস্কৃতিৰ স্বাভাৱিক বিকীৰণ বা প্ৰসাৰণ প্ৰক্ৰিয়া। সামাজিক গোটসমূহৰ মাজত থকা এৰা-ধৰাৰ মনোভাৱ আৰু গঢ়ি উঠা সম্প্ৰীতিৰ বান্ধোনেই এনে প্ৰসাৰণত অলক্ষিতে ক্ৰিয়া কৰে। অসমীয়া সংস্কৃতিও এই নিয়মৰ বাহিৰ নহয়। ইতিহাসৰ বিভিন্ন স্তৰত অসম ভূখণ্ডলৈ অহা বিশ্বৰ নানা প্ৰান্তৰ জাতি-গোষ্ঠীৰে সৈতে অসমীয়াই ৰচনা কৰিছে সম্প্ৰীতিৰ বুৰঞ্জী। অসমলৈ আগমন ঘটা এনে এটি জাতি হ'ল—মুছলমানসকল।

১২০৬ খ্ৰিষ্টাব্দৰপৰা ১৮৫৭ খ্ৰিষ্টাব্দৰ চিপাহী বিদ্ৰোহৰ সময়লৈকে অৰ্থাৎ শেষ মোগল সম্ৰাট বাহাদুৰছাহৰ দিনলৈকে ভাৰতবৰ্ষত মুছলমানৰ ৰাজত্ব অটুট আছিল। এই ছশ পঞ্চাছবছৰীয়া মুছলমান শাসনত আৰব, তুৰ্কী, আফগানিস্তান, ইৰান আদি বিভিন্ন ঠাইৰপৰা অহা মুছলমানসকলৰ সৈতে হিন্দুসকলৰ এটা ঐক্যবদ্ধ সংস্কৃতি গঢ়ি উঠিছিল। উল্লেখ কৰিবলগীয়া যে বিভিন্ন সংক্ৰান্তত বিভিন্ন সময়ত ভাৰতবৰ্ষলৈ পদাৰ্পণ ঘটা এই মুছলমানসকলে লগত মহিলা অনা নাছিল। হুমায়ুন কবীৰৰ বিখ্যাত গ্ৰন্থ 'ডি ইণ্ডিয়ান হেৰিটেজ'ত উল্লেখ কৰা অনুসৰি "মুছলমানসকলে ইয়াতে যুদ্ধ জয় কৰি ইয়াৰে তিৰোতাৰ পাণি গ্ৰহণ কৰিছিল নাইবা বিজেতা জাতিৰ তলত চিৰদিনৰ বাবে গোলাম হৈ থকাতকৈ ইছলাম ধৰ্ম গ্ৰহণ কৰাই ভাল বুলি বহুতো ভাৰতীয় যুদ্ধবন্দীয়ে ইছলাম ধৰ্ম গ্ৰহণ কৰে।" মহম্মদ আলী জিন্নাৰ মতে, ভাৰতৰ মুছলমান লোকৰ শতকৰা ৭৫জন আৰু নেহৰুৰ মতে, শতকৰা ৯৫জন হিন্দুৰপৰা ধৰ্মান্তৰিত লোক। গতিকে এওঁলোকে জন্মগতভাৱে পোষণ কৰা ভাৰতীয় আদৰ্শ আৰু সংস্কৃতি উত্তৰ প্ৰজন্মলৈ বিয়পি পৰিছিল। এনেদৰে হিন্দু-মুছলমান এক হৈ পৰিছিল। সেই সময়ত যে ধৰ্মৰ নামত অসূয়া-অসম্প্ৰীতি ভাৰতত কেতিয়াও গা কৰি উঠা নাছিল তাৰ চূড়ান্ত প্ৰমাণ মিৰজুমলাৰ আক্ৰমণত আৰু শৰাইঘাটৰ যুদ্ধত অসমীয়া হিন্দু-মুছলমান দুয়ো শক্তি মিলি মোগল শক্তিক ওফৰাই পঠিওৱাৰ দৃষ্টান্ত। ষোড়শ শতিকাৰ আগছোৱাতে মোগল সম্ৰাট বাবৰে পুত্ৰ হুমায়ুনক হিন্দু ধৰ্ম বিশ্বাসত সন্মান প্ৰদৰ্শন কৰিবলৈ দিয়া উপদেশে সাম্প্ৰদায়িক ঐক্য সাধনৰ বাবে থকা দূৰদৰ্শিতাৰ উমান দিয়ে। দুয়োপক্ষৰ মাজত সদ্ভাৱ থকা হেতুকেই সামাজিক আচাৰ-অনুষ্ঠান, পোছাক-পৰিচ্ছদ, খাদ্য-তালিকা, ভাষা-সাহিত্য সকলোতে দুয়োটাই দুয়োটাৰ ওচৰত ধৰুৱা হৈ পৰিল। কালক্ৰমত দুয়োখন সমাজ এনেভাৱে ওতপ্ৰোতকৈ জড়িত হৈ পৰিল যে এটাৰপৰা আনটো পৃথক কৰাই টান হৈ পৰিল।

অসমৰ ক্ষেত্ৰত দেখা যায়, তুৰ্কী আফগানমূলীয় ৰাজবংশৰ মহম্মদ বিন বখতিয়াৰ খিলজিয়ে চীনা অভিযানলৈ ওলাওঁতে ১২০৬ খ্ৰিষ্টাব্দত অসম আক্ৰমণ কৰে আৰু কামৰূপৰ ৰজাৰ হাতত পৰাজয় বৰণ কৰে। তেতিয়াই নামনি অসমৰ বিশেষকৈ হাজোত তেওঁলোকৰ বহুতো লোক বন্দীৰূপে থাকি যায়। আলী মেচ নামৰ ৰজাজনে খিলজিক বাট দেখুৱাই আনি প্ৰভাৱিত হৈ ইছলাম ধৰ্ম গ্ৰহণ কৰে। ১৫৪৩ চনত কলিয়াবৰৰ যুদ্ধত তুৰ্বকৰ হাতত ফ্ৰাচেংমুং আৰু তেওঁৰ পত্নী বীৰাংগনা মূলাগাভৰুৰ মৃত্যু হ'লেও তুৰ্বকেই প্ৰথম বংগদেশৰপৰা অসমলৈ আনি ব্যৱহাৰ কৰা বন্দুক আমাৰ ৰজাঘৰীয়া কাৰিকৰে চাই তৈয়াৰ কৰি তুৰ্বকক পৰাস্ত কৰে। ইয়াৰ পাছত গেন্ধেলা গৰীয়াই তৈয়াৰ কৰা বৰমূৰীয়া বৰতোপটোৱে শিৱসাগৰৰ তলাতল ঘৰৰ আগত এতিয়াও অসমীয়াৰ শিৰ উচ্চ



*গেন্ধেলা গৰীয়াই তৈয়াৰ কৰা বৰমূৰীয়া বৰতোপটোৱে শিৱসাগৰৰ তলাতল ঘৰৰ আগত এতিয়াও অসমীয়াৰ শিৰ উচ্চ কৰি জিলিকি আছে।*